অসম

"CAA আমি মনা নাই, CAA আমি কেতিয়াও নামানো"; পুনৰ সৰৱ ছাত্রনেতা সমুজ্জ্বল কুমাৰ ভট্টাচার্য

নাগৰিকত্ব সংশোধনী আইন (CAA) কেতিয়াও মানি নলয় বুলি স্পষ্ট কৰিলে আছুৰ মুখ্য উপদেষ্টা ড□ সমুজ্জ্বল কুমাৰ ভট্টাচার্যই। অসমৰ বাকী ২৮খন জিলাৰ পৰাও আইনখন প্রত্যাহাৰৰ দাবী জনাই তেওঁ কয় যে অসমৰ ভাষা, সংস্কৃতি, ভূমি আৰু ৰাজনৈতিক অধিকাৰৰ বাবে সাংবিধানিক সুৰক্ষা প্রয়োজন।

প্রকাশ: ১৩ নৱেম্বৰ ২০২৬, পুৱা ৯:৪২ আপডেট: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৯



Samujjal Kumar Bhattacharya (NewzNow)

গুৱাহাটী, ১৩ নৱেম্বৰ: নাগৰিকত্ব সংশোধনী আইন, ২০১৯ (CAA)ৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে সদৌ অসম ছাত্র সন্থা (AASU)□ ‘কা’ কেতিয়াও মানি লোৱা নহ’ব বুলি স্পষ্ট কৰি সংগঠনটোৰ মুখ্য উপদেষ্টা ড□ সমুজ্জ্বল কুমাৰ ভট্টাচার্যই অসমত আইনখন প্রত্যাহাৰৰ দাবী উত্থাপন কৰিছে।

ড□ ভট্টাচার্যই কয় যে অসমে ‘কা’ বিচৰা নাছিল, বৰঞ্চ ৰাজ্যখনৰ বাবে সাংবিধানিক সুৰক্ষা বিচাৰিছিল। কেন্দ্রীয় চৰকাৰে অসমত এই আইন জাপি দি ৰাজ্যখনৰ প্রতি গুৰুতৰ অন্যায় কৰা বুলি অভিযোগ কৰে আছুৰ মুখ্য উপদেষ্টাগৰাকীয়ে।

তেওঁৰ মতে, উত্তৰ-পূর্বাঞ্চলৰ মিজোৰাম, মণিপুৰ, অৰুণাচল প্রদেশ আৰু নাগালেণ্ডৰ দৰে ইনাৰ লাইন পার্মিট (ILP) ব্যৱস্থা থকা ৰাজ্যসমূহত ‘কা’ প্রযোজ্য নহয়। একেদৰে ষষ্ঠ অনুসূচীৰ অন্তর্গত মেঘালয়ৰ ৯৮ শতাংশ অঞ্চল আৰু ত্রিপুৰাৰ ৭০ শতাংশ অঞ্চলতো আইনখন প্রযোজ্য নহয় বুলি তেওঁ উল্লেখ কৰে।

ড□ ভট্টাচার্যই লগতে কয় যে অসমৰ ৩৫খন জিলাৰ ভিতৰত আঠখন জিলাত ‘কা’ প্রযোজ্য নহয়। তেনেক্ষেত্রত ইনাৰ লাইন পার্মিট ব্যৱস্থা থকা ৰাজ্য আৰু অসমৰ ষষ্ঠ অনুসূচীৰ অন্তর্গত জিলাসমূহৰ বাবে আইনখন ক্ষতিকাৰক বুলি বিবেচিত হ’লে অসমৰ বাকী জিলাসমূহৰ বাবে কেনেকৈ গ্রহণযোগ্য হ’ব পাৰে বুলি কেন্দ্রীয় চৰকাৰক প্রশ্ন কৰে তেওঁ।

অসমৰ বাকী ২৮খন জিলাৰ পৰাও ‘কা’ প্রত্যাহাৰৰ দাবী জনাই ড□ ভট্টাচার্যই কয় যে সাংবিধানিক সুৰক্ষা ৰাইজৰ অধিকাৰ, চৰকাৰৰ অনুগ্রহ নহয়। এই সুৰক্ষাই অসমৰ ভাষা, সংস্কৃতি, ভূমি আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে, নাগৰিকত্ব সংশোধনী আইনক লৈ অসমত আৰম্ভণিৰে পৰাই প্রতিবাদ অব্যাহত আছে। আছুৰে আইনখনৰ বিৰোধিতা কৰি আহিছে আৰু অসম চুক্তিৰ আধাৰত ৰাজ্যখনৰ খিলঞ্জীয়া লোকসকলৰ সাংবিধানিক সুৰক্ষাৰ দাবী উত্থাপন কৰি আহিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/2562/smujjwl-vttacaz-ciee-biodhita-osm